ISSN : 2454-3837

# সম্প্ৰীতি samprití

ৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকা

Double Blind Peer Reviewed National Research Journal of Humanities and Social Sciences

Vol.-VI, Issue-I, March, 2020

**UGC-CARE** listed journal

Editor in Chief
Dr. Dhiraj Patar
Assistant Editor
Dr. Rumi Patar

সম্প্ৰীতি ISSN : 2454-3837

ৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকা

# SAMPRITI

DOUBLE BLIND PEER REVIEWED NATIONAL RESEARCH
JOURNAL OF HUMANITIES AND SOCIAL SCIENCES
Vol.-VI, Issue-I, March 2020
UGC-Care listed Journal

**Editor in Chief**
Dr. Dhiraj Patar

**Assistant Editor**
Dr. Rumi Patar

SAMPRITI PUBLICATION
NEAR GAUHATI UNIVERSITY
ASSAM FOREST SCHOOL-781014

**SAMPRITI :** A Half yearly bi-lingual (Assamese and English) Double-Blind Peer Reviewed National Research Journal of Humanities and Social Sciences, Edited & published by Dr. Dhiraj Patar on behalf of Sampriti Publication, Ghy-14. ISSN : 2454-3837, Volume-VI, Issue-I, March, 2020.

**Advisor**

Prof. Dipti Phukan Patgiri, D. Lit. Dept. of Assamese, Gauhati University.
Prof. Pradip Jyoti Mahanta, Rtd. Dean Faculty of Cultural Studies, Tezpur University.
Prof. Kanak Chandra Saharia, Dept. of Assamese, Gauhati University.
Prof. Projit Kumar Palit, Former HOD, Dept. of History, Assam University.
Prof. Nirajana Mahanta Bezbora, Former HOD, Dept. of Assamese, D.U.
Prof. Prafulla Kumar Nath, Dept. of Assamese, Gauhati University.
Dr. Raju Baruah, Rtd. Prof. & HOD, Dept. of Assamese, Jagiroad College.
Dr. Rabindra Sarma, Associate Professor & HOD, Centre for Tribal Folklore, Language and Literature, Central University of Jharkhand.
Dr. Satarupa Dutta Mazumder, Visiting Scientist (Linguist) Institute of Cybernetics Systems and Information Technology, (ICSIT) Kolkata & Editor, Journal of Kolkata Society for Asian Studies (JKSAS).
Prof. Bimal Mazumdar, Dept. of Assamese, Gauhati University.
Dr. Habibur Rahman, Associate Prof. Jagiroad College
Dr. Khagen Gogoi, Associate Prof. Jagiroad College
Dr. Srijani Das, Associate Prof. Jagiroad College
Dr. Dhrubajyoti Saharia, Associate Prof. Dept. of Geography, GU.

**Editorial Board**

**Editor in Chief**

Dr. Dhiraj Patar

**Assistant Editor**

Dr. Rumi Patar

**Members**

Dr. Parag Nath, Dr. Dipak Das, Dr. Devaprotim Hazarika, Dr. Utpal Saikia, Dr. Juri Hazarika, Dr. Jayanta Pathok, Dr. Pranab Prasad Borah, Dr. Abhijeet Borah, Dr. Jadabendra Borah, Dr. Champak Saikia, Debajit Bordoloi, Dr. Ratul Deka. Ranjanjyoti Sarmah, Dr. Neetu Saharia, Dr. Sanjib Borah. Dr. Sangita Saikia, Dr. Bijaya Borah, Dr. Bhupen Baruah, Dr. Bhanita Das

Price: 200.00/-

Publicity & Distributor: BANDHAV, Panbazar, Ghy-1

© All rights reserved; published by Sampriti publication, Near Gauhati University, Assam Forest School-781014, email-sampritipublication@gmail.com
www.sampritipublication.com. Contact no. +91 99 546 89 619

## contents


- **অসমীয়া ভাষাৰ বাক্-কাৰ্যৰ নিৰ্মাণত সুৰলহৰৰ ভূমিকা ঃ এটি প্ৰসংগাৰ্থ বিজ্ঞানভিত্তিক বিশ্লেষণ**/7-13
  *ড° দীপামণি হালৈ মহন্ত*
- **ভাষাবৈচিত্ৰ্য আৰু দেউৰী ভাষা ঃ এক সমাজ ভাষাতাত্ত্বিক বিশ্লেষণ** /14-26
  *ড° সংগীতা শইকীয়া*
- **দেউৰী ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব ঃ এক বিশ্লেষণ**/27-43
  *ড° বিন্দু ভূষণ বৰা*
- **তিৱাসকলৰ কৃষি কৰ্মৰ সৈতে জড়িত লোকগীত**/44-54
  *ড° ধীৰাজ পাটৰ*
- **লখিমপুৰ জিলাৰ বিহুগীত ঃ এক সমাজ-সাংস্কৃতিক অধ্যয়ন**/55-66
  *ড° অম্বেশ্বৰ গগৈ, বিকাশ চেতিয়া*
- **সাহিত্যৰ বুৰঞ্জী আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ ইতিহাস**/67-74
  *ড° প্ৰণৱ প্ৰসাদ বৰা*
- **বিহুগীত ঃ পৰম্পৰা আৰু পৰিৱৰ্তন**/75-90
  *মমী শৰ্মা*
- **যতীন মিপুনৰ গল্পৰাজিত প্ৰতিফলিত লোক সাংস্কৃতিক সমল**/91-104
  *মেঘালী চেতিয়া*
- **অজ্ঞেয় আৰু নৱকান্ত বৰুৱাৰ কবিতাত জীৱন-অভীপ্সা ঃ এটি তুলনামূলক বিশ্লেষণ**/105-109
  *ড° নৱকান্ত শৰ্মা*
- **অসমীয়া হাস্য-ব্যংগ সাহিত্যৰ ধাৰাত নব্য মাধ্যমৰ হাস্য-ব্যংগ সাহিত্য**/110-122
  *গীতা হাজৰিকা*
- **সামাজিক সংকটৰ পৰিপ্ৰেক্ষিতত সমাজ দায়বদ্ধ বুদ্ধিজীৱীৰ ভূমিকা** /123-129
  *চাবিনা বেগম*
- **অৰুণ শৰ্মাৰ নাটকত সমাজ প্ৰসঙ্গ ঃ এক সমাজতাত্ত্বিক বিশ্লেষণ**/130-142
  *ড° সচ্চিদানন্দ শইকীয়া*
- **লীলা গগৈৰ *কপ্লিং ছিগা ৰে'ল আৰু বিয়েৰিং চিঠি*ত হাস্য ব্যংগ আৰু সামাজিক দিশৰ প্ৰতিফলন** /143-155
  *কৰবী দত্ত*
- **নৱকান্ত বৰুৱাৰ কবিতাত নগৰ চেতনাৰ ৰূপায়ণ**/156-166
  *জয়ন্ত ডেকা*

- **Migration and Acculturation: A case study of pre-colonial Barpeta district in Assam** /167-179
  *Swakshyar Saurav Talukdar*
- **Historical Heritage of Handloom Industry in India** /180-187
  *Joyeshree Das*
- **Variation in the Vocabulary of the Sanzari Bodo Dialect spoken in Jagiroad and Standard Bodo Language Spoken in Assam** /188-194
  *Paney Boro*
- **Indigenous religion of the Tai Khamyang of Assam** /195-203
  *Kuntal Sarma , Dr. Tiluttoma Baruah*
- **Electronic Media and Electoral Politics: Media as a Tool of Political Communication in Assam /**204-213
  *Dr. Jintu Gohain*
- **Status of Women in Lil Bahadur Chetri and R. K. Narayan's Novels: A Comparative Study /**214-221
  *Ranjan Timsina*
- **Grandchildren and Caregiving: Jehangir and Nariman's Relationship in Rohinton Mistry's *Family Matters*** /222-232
  *Mr. Pratyosh Gogoi, Dr. Ambeswar Gogoi*
- **Poems of Ambikagiri Raichowdhury in the perspective of national Integration /**233-239
  *Bandana Das*
- ***'Kuki Fiery Cross':* Orders, Prayers and Submission** /240-248
  *Dr. Doungul Letkhojam Haokip*
- **Perception of Customers towards Banking Services: a case study in Nagaon District of Assam /**249-260
  *Mahfuja Begum, Dr. Basanta Kalita*
- **Geographical and Technological challenges during the First World War in Europe: Limitation of Gurkha's *Khukri*** /261-268
  *Dr. D.L. Haokip, Dipak Bajgain*
- **A Comparative Study of God in Hinduism and Sikhism** /269-274
  *Prabin Kumbang*
- **Mobile Phone and Emerging New Digital Culture Among *Oraon* Community of Jharkhand** / 275-288
  *Dr. Dev Vrat Singh, Dr. Rabindranath Sarma*

**SAMPRITI**
ISSN: 2454-3837
Vol. VI, Issue-I, Page no-130-142

# অৰুণ শৰ্মাৰ নাটকত সমাজ প্ৰসঙ্গ ঃ এক সমাজতাত্ত্বিক বিশ্লেষণ

**ড° সচ্চিদানন্দ শইকীয়া**
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*খোৱাং মহাবিদ্যালয়*

**সংক্ষিপ্তসাৰ ঃ**

সাহিত্যই কেৱল এছোৱা সময় বা যুগৰ সমস্যা আৰু আগ্ৰহকে নিৰ্দেশ নকৰে, ই তাৰ অন্তৰালৰ কাৰণসমূহৰো বিশ্লেষণ আগবঢ়ায়। পৃথিৱীৰ সমস্ত প্ৰসিদ্ধ সাহিত্য-কৰ্মই সমকালীন সামাজিক অৱস্থা আৰু সমস্যাৰ খতিয়ান দাঙি ধৰে। সাধাৰণতে সমাজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাই সাহিত্যক প্ৰভাৱিত কৰে আৰু সমাজে সাহিত্য-সংস্কৃতিক অলংকাৰ হিচাবে গ্ৰহণ কৰে। লেখক এজনে জন্ম লাভ কৰা সমাজখনৰ আচাৰ-ৰীতি, পৰম্পৰা আৰু বিশ্বাসক প্ৰতিনিধিত্ব কৰে। সেইবাবে সাহিত্যত প্ৰতিবিম্বিত সমাজখন আমি বাস্তৱত বিচাৰি পাব পাৰোঁ। লেখকজন সমাজৰে এজন হিচাবে যুগৰ সৈতে আগবাঢ়ে আৰু কাম কৰি যায়। একোটা যুগৰ চিন্তা, অনুভৱ, আগ্ৰহ আৰু ধাৰণাসমূহ সেই যুগৰ অন্তৰ্গত লেখকজনৰ সাহিত্য সৃষ্টিৰ কাৰক হিচাবে চিহ্নিত হয়। সাহিত্যই প্ৰকৃতাৰ্থত সামাজিক প্ৰপঞ্চ(social phenomenon) একোটাৰ প্ৰতিফলন ঘটায়। সেই দৃষ্টিৰে সাহিত্য সমাজৰ প্ৰতিবিম্ব আৰু সমাজ সাহিত্যৰ আধাৰভূমি। সাহিত্য জীৱনৰ অধ্যয়ন আৰু সমাজৰ পৰিৱৰ্তিত অৱস্থাৰ প্ৰকাশক। প্ৰস্তুত গৱেষণাপত্ৰত অৰুণ শৰ্মাৰ নাটকৰ সমাজতাত্ত্বিক অধ্যয়নৰ জৰিয়তে তেওঁৰ নাটকত সমাজ প্ৰসঙ্গ কিদৰে জড়িত হৈ আছে কিম্বা কোনবোৰ সামাজিক দিশে ভূমুকি মাৰিছে সেই সম্পৰ্কে ধাৰণা দিয়াৰ চেষ্টা কৰা হৈছে।

**সূচক শব্দ ঃ** অৰুণ শৰ্মা; সমাজতাত্ত্বিক অধ্যয়ন; সমাজ প্ৰসঙ্গ; স্বাধীনতা পৰৱৰ্তী অসমীয়া নাটক।

**১। অৱতৰণিকা ঃ**

সমাজৰ লগত সাহিত্যৰ সম্পৰ্ক শাশ্বত। কিন্তু উনবিংশ শতিকাৰ আগলৈকে সমাজ আৰু সাহিত্যৰ সম্পৰ্ক বিচাৰ অধ্যয়নৰ বিষয় হিচাবে বিবেচিত হোৱা নাছিল আৰু সাহিত্যৰ সামাজিক সন্দৰ্ভ বিচাৰে গুৰুত্ব লাভ কৰা নাছিল। পৰৱৰ্তী সময়ত সাহিত্য আৰু সমাজৰ সম্পৰ্ক দুই ধৰণে অধ্যয়ন হ'বলৈ ধৰে— সমাজতত্ত্ববিদৰ সামাজিক সমস্যা বিশ্লেষণৰ তাগিদাত সাহিত্যৰ অধ্যয়ন আৰু সাহিত্য-সমালোচকৰ সাহিত্যৰ অৰ্থবোধৰ তাগিদাত সমাজৰ অধ্যয়ন। দেখা যায় যে সাহিত্য যেনেকৈ একপ্ৰকাৰৰ সামাজিক শক্তি তেনেকৈ সামাজিক পৰিঘটনাবিলাকৰদ্বাৰা ই প্ৰভাৱিত হয়। সামাজিক ঘটনা-পৰিঘটনাসমূহে সাহিত্যৰ সৃষ্টিত চালিকা শক্তি প্ৰদান কৰে। গতিকে সাহত্যিত সমাজ প্ৰসঙ্গৰ উত্থাপন সমাজতাত্ত্বিক বিশ্লেষণৰ এক স্তৰ হিচাপে পৰিগণিত হয়। প্ৰস্তুত গৱেষণাপত্ৰত অৰুণ শৰ্মাৰ নাটকৰ সমাজ প্ৰসঙ্গৰ বিচাৰ কৰাৰ যত্ন কৰা হৈছে।

**২। অধ্যয়নৰ ক্ষেত্ৰ ঃ**

অৰুণ শৰ্মা কেইখনমান নিৰ্বাচিত নাটকক প্ৰাথমিক সামগ্ৰী হিচাবে লোৱা হৈছে। অধ্যয়নৰ বাবে সামাজিক সন্দৰ্ভ-জড়িত বিষয়ৰ ভিত্তিত দহখন নাটক নিৰ্বাচন কৰা হৈছে। তেওঁৰ নিৰ্বাচিত নাটককেইখন হৈছেঃ *পৰশুৰাম, আহাৰ, পুৰুষ, কুকুৰনেচীয়া মানুহ, চিঞৰ, বুৰঞ্জী পাঠ, পদ্মা-কুন্তী ইত্যাদি, বাঘজাল, অন্য এক অধ্যায়* আৰু *চক্ৰব্যুহ*।

**৩। অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

প্ৰস্তুত অধ্যয়নে নাট্যকাৰ অৰুণ শৰ্মাৰ নাট্য-পাঠৰ পূৰ্ণবোধৰ লগতে সমকালীন সমাজখন আৰু নাট্যপাঠত অন্তভূক্ত সমাজ প্ৰসঙ্গ সম্পৰ্কে অৱগত কৰিব। গতিকে এই গৱেষণাৰ শৈক্ষিক আৰু সামাজিক দুয়োটা দিশতে গুৰুত্ব আছে। প্ৰস্তুত অধ্যয়নৰ কেতবোৰ উদ্দেশ্য হ'ল ঃ

(ক) অৰুণ শৰ্মা নাটকৰ সামাজিক সন্দৰ্ভ বিচাৰ কৰা।

(খ) তেওঁৰ নাট্য সৃষ্টিৰ অন্তৰালৰ কাৰকসমূহ বিচাৰি উলিওৱা।

(গ) তেওঁলোকৰ আদৰ্শ আৰু দৃষ্টিভংগীক বিচাৰি উলিওৱা।

**৪। অধ্যয়ন পদ্ধতি ঃ**

প্ৰস্তুত অধ্যয়নৰ প্ৰধান দৃষ্টিভংগী হৈছে সমাজতাত্ত্বিক দৃষ্টিভংগী। নিৰ্বাচিত নাটককেইখনৰ পাঠ-বিশ্লেষণৰ জৰিয়তে সিদ্ধান্তলৈ আহিবলৈ যত্ন কৰা হৈছে।

**৫। মূল আলোচনা ঃ**

স্বাধীনতা-পৰৱৰ্তী ভাৰতীয় নাটকৰ বিকাশৰ ইতিহাসত সাধাৰণতে প্ৰসঙ্গলৈ অহা উল্লেখযোগ্য এগৰাকী অসমীয়া নাট্যকাৰ হ'ল অৰুণ শৰ্মা। নাট্য-ৰচনা আৰু নাট্য-সংগঠনৰ ক্ষেত্ৰত নিজকে নিয়োজিত কৰা সেইসময়ৰ অসমীয়া নাট্যকাৰসকলৰ ভিতৰত অৰুণ শৰ্মা

অন্যতম। বিষয়বস্তু আৰু আংগিক দুয়োটা দিশতে প্ৰয়োগ কৰা পৰীক্ষামূলক সংযোজনে অসমীয়া নাটকক তেওঁ এক নতুন মাত্ৰা দান কৰি থৈ যায়। চেমুৱেল বেকেট, বাৰ্টোল্ট ব্ৰেখ্‌ট, ইউজিন আয়'নেস্কো, বাদল সৰকাৰ, বিজয় টেণ্ডুলকাৰ, গিৰিশ কাৰ্ণাড আদি দেশী-বিদেশী নাট্যকাৰৰ আংগিকৰ প্ৰভাৱত সাধাৰণ পাঠকক আকৃষ্ট কৰাৰ লগতে নতুন আংগিক আৰু দৃষ্টিভংগীৰ আস্বাদ দিবলৈ সক্ষম হোৱা নাট্যকাৰসকলৰ ভিতৰত অৰুণ শৰ্মা অগ্ৰগামী। অৰুণ শৰ্মাৰ *উৰুখা পজাঁ*ৰ বিষয়বস্তু আৰু পৰিবেশন ৰীতি যদিও সমসাময়িক নাট্য-পৰম্পৰা ভুক্ত আছিল, কিন্তু পাছলৈ সেই পৰম্পৰাৰপৰা ফালৰি কাটি অহা দেখা যায়। *আহাৰ* তেনে এক প্ৰচেষ্টাৰ ফল।

স্বাধীনতা-পৰৱৰ্তী কালৰ পৃষ্ঠভূমিত নাট্য-ৰচনাৰ পাতনি মেলা অৰুণ শৰ্মাৰ নাটকত সমাজৰ নতুন আৰু পুৰণি প্ৰজন্মৰ সংঘাত, সামাজিক সমস্যা, অৰ্থনৈতিক সংঘাত, ৰাজনৈতিক অৱক্ষয়, চৰিত্ৰৰ মানসিক অৱস্থাই ঠাই পোৱা দেখা যায়। তেওঁৰ নাটকত সমাজ আৰু সামাজিক সমস্যাৰ উপস্থাপনত অধিক গুৰুত্ব দিয়া দেখা যায়। *উৰুখা পজাঁ*ৰে নাট্য-জীৱনৰ পাতনি মেলা অৰুণ শৰ্মাৰ প্ৰায়বোৰ নাটকতে বিংশ শতিকাৰ চতুৰ্থ দশকৰ পাছৰ সমাজখনৰ ছবি স্পষ্ট ৰূপত দেখিবলৈ পোৱা যায়। জীৱন যাত্ৰাত লাভ কৰা বিবিধ অভিজ্ঞতাকেই তেওঁ নাটকৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰিছিল। *উৰুখা পজাঁ* (১৯৫৪)কে ধৰি *জিনটি* (১৯৬০), *শ্ৰীনিবাৰণ ভট্টাচাৰ্য* (১৯৬১), *পৰশুৰাম* (১৯৬২), *পুৰুষ* (১৯৬৪), *আহাৰ* (১৯৬৪), *কুকুৰনেচীয়া মানুহ*(১৯৬৫), *চিএৱৰ*(১৯৭২), *বুৰঞ্জী পাঠ*(১৯৭৪), *চিত্ৰলেখা* (১৯৭৫), *পদ্মা-কুন্তী ইত্যাদি*(১৯৭৬), *পোষ্টাৰ*(১৯৮২), *বাঘজাল*(১৯৮৪), *নেপোলিয়ন আৰু ডেজিৰী*(১৯৮৫), *অন্য এক অধ্যায়*(১৯৯৪), *অগ্নিগড়*(১৯৯৬), *অদিতিৰ আত্মকথা* (২০০০), *চক্ৰব্যূহ*(২০০৩) আদি তেওঁৰ প্ৰায়বিলাক নাটকতেই বিভিন্ন সামাজিক প্ৰসঙ্গৰ উত্থাপন হোৱা পৰিলক্ষিত হয়।

অৰুণ শৰ্মা এজন সমাজ-সচেতন নাট্যকাৰ। সমাজৰ অতি সূক্ষ্মভাৱে নিৰীক্ষণ তেওঁৰ নাটকত লক্ষ্য কৰা যায়। অভিজ্ঞতাৰপৰা লাভ কৰা সমাজব্যৱস্থা আৰু সমাজৰ বিবিধ স্তৰৰ মানুহ আৰু তেওঁলোকৰ মানসিক অৱস্থা তেওঁৰ নাটকৰ প্ৰধান উপকৰণ। অৰুণ শৰ্মাৰ নাটকসমূহ অধ্যয়ন কৰিলে বিংশ শতিকাৰ মাজভাগৰপৰা সাম্প্ৰতিক সময়লৈকে অসমৰ মধ্যবিত্তীয় সমাজখনৰ ধাৰণা লাভ কৰিব পাৰি। তেওঁৰ নাটকত সামাজিক ব্যৱস্থা, সামাজিক সমস্যা আৰু সমাজৰ বিবিধ স্তৰৰ মানুহৰ মানসিক অৱস্থা ছবি সহজলভ্য। তেওঁৰ নাটকত বিচাৰি পোৱা তেনে দিশ কেইটিমান হৈছে—

(ক) সমাজ-ৰাজনৈতিক দিশ, (খ) সামাজিক-বৈষম্য, (খ) অন্যায়-অবিচাৰৰ বিৰুদ্ধে জনজাগৰণ, (গ) আধুনিক মানুহৰ জটিল মানসিক স্থিতি, (ঘ) নাৰী চিত্ৰণ।

**(ক) সমাজ-ৰাজনৈতিক দিশ ঃ**

ৰাজনৈতিক মেৰপেঁচত সোমাই থকা, আশাত উদ্বাউল হোৱা, ক্ষমতাৰ অপব্যৱহাৰ কৰা আৰু ক্ষমতাৰ অপব্যৱহাৰ বলি হোৱা সমাজৰ ছবি অংকনেৰে নাট্যকাৰগৰাকীয়ে সমাজ-সচেতনতাৰ পৰিচয় দাঙি ধৰিছে। তেওঁৰ *চিঞৰত* উদ্যোগপতি অমৰ বৰুৱাৰ সৈতে মন্ত্ৰী মহোদয়ৰ গোপন বুজাবুজিৰ উমান দিছে। অমৰ বৰুৱা আছিল 'এছোচিয়েটেড মোজাইক টায়েলচ্ এণ্ড ইণ্ডাষ্ট্ৰিজ' (এম্‌টি)ৰ চেয়াৰমেন তথা পৰিচালন সঞ্চালক। মন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শ মতে মজদুৰবিলাকৰ লক্ষ্মীপূজাৰ বোনাচৰ দাবী মানি লৈ উদ্যোগপতি অমৰ বৰুৱা বিপাঙত পৰিছে। ভোটকেন্দ্ৰিক ৰাজনীতিৰ লগতে গোপন বুজাবুজিৰ বিনিময়ত মন্ত্ৰীগৰাকীয়ে কৰা ক্ষমতাৰ অপব্যৱহাৰৰ ইংগিতো নাটকখনত দেখা যায়। ৰাজনৈতিক নেতাৰ ক্ষমতাৰ লালসা আৰু দুমুখীয়া চৰিত্ৰ ইয়াত ফুটি উঠিছে। আমোলাতান্ত্ৰিক সমাজ ব্যৱস্থাৰ স্বৰূপ দাঙি ধৰাৰ যত্ন নাটকখনত দেখা যায়। এই কাৰ্যই সমসাময়িক ৰাজনৈতিক জগতখনত বিয়পি থকা ভোটকেন্দ্ৰিক ৰাজনীতিৰ প্ৰকোপ আৰু ভ্ৰষ্টাচাৰৰ ছবি দাঙি ধৰিছে।

ক্ষমতাৰ অপব্যৱহাৰৰ দৃশ্য তেওঁৰ *বুৰঞ্জী পাঠ*ৰ মাজতো দেখিবলৈ পোৱা যায়। কাহিনীৰ পটভূমি স্বাধীনতাৰ পাছৰ সময়ছোৱাৰ। কাঁচনগুৰি মৌজাৰ মৌজাদাৰ আছিল চিন্তাহৰি চৌধুৰী, তেওঁৰ মৃত্যুৰ পাছত পুতেক কুলহৰি চৌধুৰীৰ হাতত মৌজাৰ দায়িত্ব আছিল। স্বাধীনতা আন্দোলনৰ সময়ছোৱাত মৌজাদাৰৰ দায়িত্ব জালালুদ্দিনৰ হাতত ন্যস্ত কৰা হৈছিল। স্বাধীনতা লাভৰ পাছত তেওঁলোকে মৌজাৰ দায়িত্ব পুনৰ লাভ কৰে। সমস্ত জনসাধাৰণৰ মনত আশাৰ সঞ্চাৰ হয়। কুলহৰিৰ পুতেক নৰহৰিয়ে মৌজাৰ ভাৰ পোৱাৰ কথা, কিন্তু নৰহৰিৰ আকস্মিক মৃত্যুৰ কাৰণে কুলহৰিৰ কন্যা প্ৰিয়ৰাণীৰ হাতত সেই ভাৰ অৰ্পণ কৰা হয়। হাতলৈ ক্ষমতা আহিলে নৈতিকতাৰ পতন ঘটে। প্ৰিয়ৰাণীৰ ক্ষেত্ৰতো তাৰ হীন-ডেঢ়ি ঘটা দেখা নাযায়। মৌজাৰ ভাৰ হাতত লৈয়ে প্ৰিয়ৰাণী স্বেচ্ছাচাৰী হৈ উঠিছে। তেওঁ 'কাঁচনগুৰি উন্নতি সাধিনী সমিতি'ৰ সভানেত্ৰী পদটোও বুদ্ধিৰে আত্মসাৎ কৰি লৈছে। আধিখোৱা ধান আদায় দিবলৈ থকা মৌজাৰ খেতিয়কবিলাকক তেওঁ লাঠিয়াল লগাই মাৰ-কিল শোধাই ধন আদায় কৰিছে। লাঠিয়ালে এজন দুখীয়া খেতিয়কক মৰিয়াই মৰা কাৰ্যটো প্ৰিয়ৰাণীয়ে তেওঁৰ সোঁহাতস্বৰূপ ভূএগ্ৰা আৰু পুলিচ বিষয়াৰ সহযোগত ঢাকি ৰখাৰ চেষ্টা কৰিছে। আনকি মৃগী ৰোগতহে যে তাৰ প্ৰাণ গ'ল তাকো প্ৰমাণ কৰি দেখুৱাইছে। ব্যক্তিগত স্বাৰ্থত লাঠিয়ালবিলাকৰ সহযোগত ৰাইজৰ ধান সংগ্ৰহ কৰিছে। চৰকাৰী নিয়ম অনুসৰি ধান সমবায় নাইবা চৰকাৰৰ প্ৰকিয়ৰ্‌মেণ্ট বিভাগত বিক্ৰী কৰিব লাগে। ব্যক্তিগতভাৱে বেচিব নোৱাৰে। কিন্তু সমবায় সমিতিৰ মুখ্য-উপদেষ্টা হৈয়ো প্ৰিয়ৰাণীয়ে চৰকাৰী নিয়মক অৱমাননা কৰি ৰাতিৰ অন্ধকাৰত ব্যক্তিগতভাৱে ব্যৱসায়ীক অধিক দৰত ধান যোগান ধৰা দেখা গৈছে। আকৌ নৈনগুৰিৰ চৰকাৰী মাটিত বহি খেতি-খোলা কৰি খোৱা মানুহ কেইঘৰমান

আছিল। সেই মানুহবিলাকক উচ্ছেদ কৰি পুতেকৰ কাৰণে এটা উদ্যোগ পতাৰ পৰিকল্পনা কৰিছে। নাটকখনত কুলহৰিৰদ্বাৰা নাতিয়েকহঁতক বুৰঞ্জীৰ পাঠ দিয়াটো ইয়াত লক্ষণীয়। কুলহৰিৰ যোগেদি ইংলণ্ডৰ ৰজা প্ৰথম চাৰ্লছ্ মদগৰ্বী, অহংকাৰী, অবিবেচক আৰু অত্যাচাৰী হোৱাৰ পৰিণতিত নিজৰ অস্তিত্ব বিপন্ন হোৱাৰ কথা, ফৰাচীৰ 'জুলাই মনাৰ্কী' হিচাপে অভিহিত হোৱাৰ কথা, জাৰ্মানীৰ স্বেচ্ছাচাৰী সম্রাট দ্বিতীয় উইলিয়ামৰ কথা, ৰুছ বুৰঞ্জীৰ অবিৰতভাৱে নিস্পেষণ কৰা ৰজা নিক'লাছৰ কথা কৈ নাতিয়েকহঁতক বুৰঞ্জীৰ পাঠ দিয়াৰ চলেৰে ক্ষমতা হাতলৈ আহিলে মানুহ কেনেকৈ দানৱলৈ ৰূপান্তৰিত হয় তাৰ ইংগিত দিছে।

ঠিক সেইদৰে *অন্য এক অধ্যায়*তো ক্ষমতাৰ দৌৰ, প্ৰমূল্য আৰু নৈতিক অধঃপতন দেখা যায়। শ্যামল এদিন বিপ্লৱৰ পথেৰে গৈ কাৰাৰুদ্ধ হ'বলগীয়া হৈছে। সশস্ত্ৰ সংগ্ৰামৰ পথ ত্যাগ কৰাৰ লিখিত প্ৰতিশ্ৰতি দি কাৰাগাৰৰপৰা মুক্তি লাভ কৰিছে। কিন্তু চৰকাৰৰ দলত যোগ দিয়াৰ প্ৰতিশ্ৰুতিৰে কাৰাগাৰৰপৰা মুক্তি লৈ অহা বুলি সকলোৰে সন্দেহ প্ৰকাশ কৰিছে। তাৰ পত্নী কমৰেড উৰ্মিলায়েও সন্দেহ প্ৰকাশ কৰিছে। শ্যামলৰ সিদ্ধান্ত দলীয় স্বাৰ্থৰ বিপৰীতে আছিল। দলীয় সতীৰ্থ বিপ্লৱীসকলে শ্যামলৰ সেই সিদ্ধান্তত বিতুষ্ট হৈ উঠিছিল। সেইবাবে দলক বিশ্বাসঘাট কৰাৰ অপৰাধত শ্যামলে প্ৰাণ দিবলগীয়া হৈছিল। দলৰ মাজত ক্ষমতা আৰু স্বাৰ্থতকৈ কোনো কথাই যে ডাঙৰ নহয় তাক এই ঘটনাৰ মাজেৰে দেখিবলৈ পোৱা যায়। অসমৰ প্ৰেক্ষাপটত এনে ঘটনা অতি সহজে উপলব্ধ।

ৰাজনীতিক স্বাৰ্থসিদ্ধিৰ পথ হিচাবে গ্ৰহণ কৰিব বিচৰা এচাম ৰাজনীতিকৰ ছবি দেখিবলৈ পোৱা যায় তেওঁৰ *চক্ৰব্যূহ*তো। মথাউৰি বন্ধা প্ৰকল্পত হোৱা অন্যায়ৰ বিৰুদ্ধে মাত মতাত দলৰ জ্যেষ্ঠ নেতা ত্ৰিনয়ন শইকীয়াই মানসক বুজাবলৈ চেষ্টা কৰিছে যে ৰাইজৰ স্বাৰ্থতকৈ যে ৰাজনীতিত দলীয় স্বাৰ্থহে প্ৰধান। গতিকে মানসক তেওঁ ৰাইজৰ পক্ষৰপৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিছে। তেওঁ সমষ্টিটোৰ আগন্তুক নিৰ্বাচনৰ প্ৰাৰ্থী মানসক বুজাবলৈ চেষ্টা কৰিছিল যে ইয়াৰ লগতো এক বৃহৎ অংকৰ হিচাব-নিকাচ জড়িত হৈ আছে। মানসক বুজাবলৈ চেষ্টা কৰা হৈছিল যে তাৰ ভালৰ কাৰণে, পাৰ্টীৰ ভালৰ কাৰণে সমাজৰ হৈ মাত মতাৰপৰা আঁতৰি থকাই ভাল। ৰাইজৰ কাৰণে কাম কৰিলেহে ৰাইজে ভোট দিব বুলি থকা বিশ্বাসক ইতিকিং কৰি মন্ত্ৰী শইকীয়াই ৰাজনীতিৰ কাৰণে অতি গুৰুত্বপূৰ্ণ কথা কিছুমান মানসক বুজাবলৈ চেষ্টা কৰা দেখা যায়। তাৰ পাছতো মানসৰ সবল স্থিতিয়ে তেওঁলোকৰ স্বাৰ্থসিদ্ধিত ব্যাঘাত জন্মোৱাৰ বাবে অৱশেষত মানসক হত্যা কৰাইছে। ইয়াতেই ৰাজনীতি সমাজৰ হিতৰ বাবে নহৈ সমাজৰ পৰিপন্থী হৈ পৰা দেখা গৈছে। ৰাজনীতি সমাজৰ উন্নতিৰ বাহক নহৈ যেন গণতন্ত্ৰৰ প্ৰতি চৰম ভেঙুচালিত পৰিণত হৈছে। চক্ৰব্যূহ নাটকখনৰ মাজেৰে নিজৰ অভীষ্ট সিদ্ধিৰ বাবে ৰাজনীতিক আহিলা হিচাবে ব্যৱহাৰ কৰা মন্ত্ৰী শইকীয়াৰ দৰে চৰিত্ৰৰ যোগেদি নাট্যকাৰে ৰাজনীতিকৰ ফোঁপোলা স্বৰূপটো দাঙি ধৰিছে। আনহাতে

*বাঘজালত* মৌজাদাৰে নিৰীহ মানুহৰ ওপৰত কৰা অত্যাচাৰ আৰু ক্ষমতাৰ অপব্যৱহাৰ দেখা যায়। ইয়াৰ লগতে মহৰীৰ দৰে মধ্যভোগী শ্ৰেণীৰ চৰিত্ৰও নাটকখনত দেখিবলৈ পোৱা যায়। নাটকখনতনাট্যকাৰে দুখীয়া খেতিয়কৰ খাজানা অনাদায়ৰ সুযোগ লৈ চৰকাৰৰ ভয় দেখুৱাই মাটি ক্ৰোকীত লোৱা আৰু খাজানাৰ বিনিময়ত অসৎ প্ৰবৃত্তি চৰিতাৰ্থ কৰা কাৰ্যৰদ্বাৰা মৌজাদাৰ-মহৰীৰ দৰে আমোলা চৰিত্ৰৰ বীভৎসতাক উন্মোচন কৰাৰ চেষ্টা কৰিছে। ইয়াত প্ৰথমে দুখীয়া খেতিয়কৰ পথাৰলৈ যোৱা জানটোৰ পানী বন্ধ কৰি মাটি চন পেলাই, খাজানা দিব নোৱৰা কৰি, পাছত খাজানা অনাদায়ৰ দোষত মাটি ক্ৰোকীত লোৱাৰ অভিসন্ধি ৰচা দেখা গৈছে। ইয়াৰ যোগেদি তেওঁ ৰাজনীতি যে সমাজৰ হিতৰ বিপৰীতে স্বাৰ্থ আদায় বা ব্যক্তিগত লাভালাভৰ মাধ্যমলৈ পৰিণত হৈছে তাৰ ইংগিত দিয়াৰ প্ৰয়াস কৰিছে।

**(খ) সামাজিক-বৈষম্য ঃ**

সামাজিক-বৈষম্য ভাৰতৰ সমাজ জীৱনৰ এক বহুকলীয়া সমস্যা। উচ্চবৰ্ণ-নিম্নবৰ্ণ, উচ্চবিত্ত-নিম্নবিত্ত আৰু সবলী-দুৰ্বলীৰ মাজৰ ব্যৱধান আৰু সংঘাত ভাৰতীয় সমাজৰ এখন পৰিচিত ছবি। অৰুণ শৰ্মাৰ নাটকত সামাজিক-বৈষম্যৰ তেনে বিভিন্ন ৰূপ প্ৰকাশ পোৱা দেখা যায়।

অৰুণ শৰ্মাৰ তেনে এখন নাটক হৈছে *কুকুৰনেচীয়া মানুহ*। সমাজৰ ছিন্নমূল বা পৰিচয়হীন এচাম মানুহে আত্মপ্ৰতিষ্ঠাৰ বাবে আজীৱন সংঘৰ্ষত লিপ্ত হোৱা দেখা যায়। কুকুৰনেচীয়া মানুহত তেনে এটা ছিন্নমূল সম্প্ৰদায়ৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ ছবি পৰিলক্ষিত হৈছে। সমাজৰ তথাকথিত ভদ্ৰ আৰু সভ্য লোকৰ মাজত থাকি কেতিয়াও সি সমমৰ্যাদা লাভ কৰিব পৰা নাই। সমাজত নিজকে বৰ্তাই ৰাখিবৰ বাবে আৰু নিজৰ অধিকাৰ লাভৰ বাবে সি সংঘৰ্ষ কৰিবলগীয়া হৈছে। আনহাতে বিশ্ববিদ্যালয়ৰ নৃতত্বৰ প্ৰফেচৰ অশোক চৌধুৰীৰ দয়া, কৰুণা সকলো লাভ কৰিছিল যদিও ৰমুৰ প্ৰতিষ্ঠাৰ বাবে কোনো সংঘৰ্ষতে তেওঁ লিপ্ত হোৱা নাছিল। শ্ৰেণী স্বাৰ্থক আঘাত কৰি প্ৰকৃত মানৱীয় অধিকাৰ প্ৰতিষ্ঠাৰ সাহস চৌধুৰীৰ মাজত দেখা নাযায়। আনহাতে *চিএৎৰতো* শোষক আৰু শোষিতৰ সংঘৰ্ষৰ মাজেৰে শ্ৰেণী-বৈষম্য দেখুওৱা হৈছে। নাট্যকাৰে পুঁজিপতি আৰু শ্ৰমিক শ্ৰেণীৰ সংঘাত অমৰ বৰুৱা আৰু শ্ৰমিক শ্ৰেণীৰ বোনাচক লৈ হোৱা সংঘাতৰ জৰিয়তে দেখুৱাইছে। মালিক পক্ষৰ মজদুৰৰ প্ৰতি থকা দৃষ্টিভংগী আৰু মানসিকতা উদ্যোগপতি অমৰ বৰুৱাৰই তিনিজন মজদুৰৰ মৃত্যুৰ প্ৰকৃত তথ্য গোপন কৰিবলৈ প্ৰয়োজন হ'লে আৰু ছজন মজদুৰৰ জীৱন বিপদগ্ৰস্ত কৰিব লাগিব বুলি কৰা মন্তব্যত প্ৰকাশ পাইছে।

শোষক আৰু শোষিতৰ ছবি অংকিত হোৱা আন এখন নাটক হৈছে *বুৰঞ্জী পাঠ*। নতুনকৈ ক্ষমতা লাভ কৰা মৌজাদাৰ আৰু খাতিখোৱা চহা শ্ৰেণীৰ মাজৰ সংঘাত নাটকখনত

দেখা যায়। নাটকখনত ডকা-হুকা দি খাজানা আদায় কৰা, চৰকাৰী নিয়ম উলংঘা কৰি ধান বিক্ৰী কৰা আদি কাৰ্যত ধনীক শ্ৰেণীয়ে দুখীয়া শ্ৰেণীৰ ওপৰত কৰা অন্যায় দেখা যায়। ননৈগুৰিৰ মৌজাদাৰ প্ৰিয়ৰাণী বৰুৱাই অকস্মাৎ ক্ষমতা লাভ কৰি স্বেচ্ছাচাৰী হৈ দুখীয়া মানুহৰ ওপৰত কৰা অন্যায় আৰু অত্যাচাৰো নাটকখনত পৰিলক্ষিত হয়।

**বাঘজাল**ৰ মাজতো নাট্যকাৰে মৌজাদাৰ আৰু কৃষকৰ সংঘাতৰ মাজেদি সামাজিক-বৈষম্য দেখুৱাবলৈ যত্ন কৰিছে। দুখীয়া কৃষকৰ ওপৰত হাৰাশাস্তি, বলপূৰ্বক কৰ আদায়, নাৰীৰ প্ৰতি কু-দৃষ্টি নিক্ষেপ, অত্যাচাৰ আদিৰ জৰিয়তে নাট্যকাৰে সূক্ষ্মভাৱে সামাজিক বৈষম্যৰ ছবি অংকন কৰিছে। কেইবাদশক ধৰি চলি অহা মৌজাদাৰী স্বেচ্ছাচাৰিতাৰ আভাস নাটকখনত এইদৰে পোৱা যায়ঃ "দুৰ্দশাৰ পিছত দুৰ্দশা ভুঞ্জাই বিষ্ণুজান মৌজাৰ মৌজাদাৰে আমাক পুতলা নাচ নচুৱাই আছে।" (শৰ্মা, *অৰুণ শৰ্মাৰ নিৰ্বাচিত নাটক*, ৭২৭)সেইদৰে সামাজিক বৈষম্যৰ ছবি ফুটি উঠা পৰিলক্ষিত হয় *পদ্মা-কুন্তী ইত্যাদি*তো। সমাজৰ তথাকথিত উচ্চশ্ৰেণীৰ প্ৰতিনিধি সমিধাক্ষ শৰ্মাৰ একমাত্ৰ কন্যা নীনা আৰু পিতৃ পৰিচয়হীন লক্ষ্ণৌৰ যুৱক ৰাজীৱৰ বিয়াত নীনাৰ মাক আৰু আইতাকে আপত্তি কৰা দেখা যায়। আপত্তিৰ কাৰণ ৰাজীৱ অন্য জাতিৰ ল'ৰা আৰু তাৰ পিতৃ পৰিচয় নাই। সমাজৰ বদ্ধমূল পৰম্পৰাবাদী ধাৰণা নাটকখনত এইদৰে দেখা যায় ঃ "এনে এটা উচ্চবংশৰ উচ্চ শিক্ষিতা ছোৱালীৰ বাবে অসমীয়া একে জাতৰ ল'ৰা এটাৰ কি অভাৱহে আমি শুনিছোঁ ল'ৰাজনৰ জাতো বোলে বৰ সুবিধাৰ নহয়।"(শৰ্মা, *অৰুণ শৰ্মাৰ নিৰ্বাচিত নাটক*, ৪৫৯) নীনাৰ মাক আৰু তেওঁৰ সখীয়েকসকলে নিজকে আধুনিক বুলি ভাবিলেও প্ৰকৃততে তেওঁলোকৰ চিন্তাৰ দীনতা ইয়াত চকুত পৰে।

**(খ) অন্যায়-অবিচাৰৰ বিৰুদ্ধে জনজাগৰণ ঃ**

অৰুণ শৰ্মাৰ প্ৰায়বিলাক নাটকতে দেখা আন এক দিশ হৈছে অন্যায়-অবিচাৰৰ বিৰুদ্ধে জনজাগৰণ। অৰুণ শৰ্মাক সামাজিক সমস্যাই চিন্তিত কৰাৰ সমান্তৰালভাৱে এটি আশাবাদেও তেওঁক পুলকিত কৰা পৰিলক্ষিত হয়। তেওঁৰ *কুকুৰনেচীয়া মানুহ* তেনে এখন নাটক। স্বাধীনতা আন্দোলনৰ পাছত ধৰ্মীয় ভিত্তিত হোৱা দেশ বিভাজনত অসমত থাকি যোৱা সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ জীৱন যন্ত্ৰণা আৰু আত্ম-পৰিচয়ৰ সংগ্ৰাম ইয়াত ফুটি উঠিছে। সংখ্যালঘু ছিন্নমূল মানুহখিনি কিদৰে যুগে যুগে কেৱল বঞ্চিত আৰু শোষিত হৈ আহিছে তাক ৰমুৰ যোগেদি দেখুওৱাৰ যত্ন কৰিছে। কিন্তু শেষত ছিন্নমূল বা পৰিচয়হীন ৰমুৱে সামাজিক স্বীকৃতিৰ বাবে সংগ্ৰাম ঘোষণা কৰি হাতত অস্ত্ৰ তুলি লৈছে। সি আত্ম-পৰিচয়ৰ বাবে সচেতন হৈ উঠিছে। ৰমুৱে অনুভৱ কৰিছে ঃ "অধিকাৰ প্ৰতিষ্ঠাৰ বাবে সংঘৰ্ষ হ'বই লাগিব। সেই সংঘৰ্ষৰ স্বৰূপ কি মই নাজানো।"(শৰ্মা, *অৰুণ শৰ্মাৰ নিৰ্বাচিত নাটক*, ২১০)

ঠিক তেনেদৰে *চিঞৰ*তো জনজাগৰণৰ ছবি এখন দেখিবলৈ পোৱা যায়। পুঁজিপতি আৰু শ্ৰমিক শ্ৰেণীৰ দ্বন্দ্বৰ মাজেৰে খাতিখোৱাচামে লাভ কৰা বঞ্চনা, দুখ আৰু যন্ত্ৰণাক ইয়াত দেখুওৱা হৈছে। কিন্তু শ্ৰমিকসকল সদায় শোষিত হৈ থাকিব খোজা নাই। সিহঁত সৰৱ হৈ উঠিছে। উদ্যোগপতি অমৰ বৰুৱাৰ লগত বোনাচৰ বাবে ঘটা মতানৈক্যই শেষত বিষম ৰূপ ধাৰণ কৰিছে। সমগ্ৰ শ্ৰমিক শ্ৰেণী ৰাজপথলৈ ওলাই আহি মুক্তকণ্ঠে তেওঁলোকৰ সৈতে হোৱা অন্যায় আৰু অত্যাচাৰৰ প্ৰতিবাদ কৰিছে। এম্‌টিৰ মজদুৰ নেতা ৰামদেও সিং, মহেশ ডেকা আৰু অনন্ত বড়োৰ মৃত্যুৰ ন্যায়িক তদন্ত আৰু নীলকণ্ঠ পাহাৰৰ মাটি এম্‌টিক লীজত দিয়াৰ স্বাৰ্থত পাহাৰতলীৰ গাঁওবাসীক উচ্ছেদ কৰাৰ অন্যায় হুকুম প্ৰত্যাহাৰ কৰাৰ দাবীত শ্ৰমিক-কৃষক একত্ৰিত হৈ ৰাজপথলৈ ওলাই আহিছে। মজদুৰ আৰু কৃষক মিলিত হৈ নিজৰ অধিকাৰৰ সংগ্ৰামত নামিছে। অৱশেষত বিলাসী হোটেলত আয়োজন কৰা পুঁজিপতি আৰু আমোলা বিষয়াৰ নৈশ-ভোজনৰ সময়ত বিস্ফোৰক ডাইনামাইটেৰে ভৰা গাড়ীখনেৰে হোটেলত খুন্দিয়াই বিদ্ৰোহৰ চৰম পৰিণতি আশা কৰিছে।

অনুৰূপ ধৰণে *বুৰঞ্জী পাঠ*ত কাঁচনগুৰিৰ মৌজাদাৰ প্ৰিয়ৰাণীৰ স্বেচ্ছাচাৰী শাসনৰ বিৰুদ্ধে কুলহৰি চৌধুৰীৰ নেতৃত্বত কাঁচনগুৰি আৰু ননৈগুৰিৰ কৃষক, পমুৱা, ভগনীয়া মানুহবোৰে আন্দোলন ঘোষণা কৰিছে। ক্ষমতাৰ অপব্যৱহাৰ আৰু অত্যাচাৰ সদায় সহ্য কৰি থকা নহ'ব বুলি তেওঁলোকে অনুভৱ কৰিছে। নাটকখনত কুলহৰিৰদ্বাৰা বুৰঞ্জী শিক্ষা দিয়াৰ নেপথ্যত স্বেচ্ছাচাৰী শাসনৰ পতন যে অনিবাৰ্য তাক নাট্যকাৰে কৌশলেৰে দেখুৱাবলৈ যত্ন কৰিছে আৰু নাটকখনৰ শেষত কুলহৰিৰ নেতৃত্বত ৰাইজ ওলাই আহিছে। তেনেকৈ *বাঘজাল*তো গণ-উত্থান ঘটিছে। বিষ্ণুজানৰ মৌজাদাৰৰ অন্যায় আৰু অত্যাচাৰ, মহৰীৰ মধ্যভোগী আৰু স্বাৰ্থলোভী স্বভাৱৰ বিৰুদ্ধে চহা-ৰাইজ অতিষ্ঠ হৈ শেষত বিদ্ৰোহ ঘোষণা কৰিছে। নাটকখনৰ শেষত বাঘ ধৰাক কেন্দ্ৰ কৰি মৌজাদাৰ আৰু বিষ্ণুজান মৌজাৰ ৰাইজৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটিছে। কেইবাটাও প্ৰজন্ম ধৰি চলি অহা মৌজাদাৰী স্বেচ্ছাচাৰিতাৰপৰা উদ্ধাৰ পাবলৈ বিষ্ণুজানৰ জনতাই হাতত অস্ত্ৰ তুলি লৈছে। ইমানদিনে মৌজাদাৰৰ গোলামী কৰি অহা নুৰ পিয়াদাই নিজৰ অস্তিত্ব বুজি পাইছে আৰু হাতত বন্দুক তুলি লৈ মৌজাদাৰক হত্যা কৰি সি অনুভৱ কৰিছে "এই খুনৰ দৰকাৰ আছিল। এই খুন কৰি মোৰ নেকী হ'ল।" (শৰ্মা, *অৰুণ শৰ্মাৰ নিৰ্বাচিত নাটক*, ২১০)

*চক্ৰব্যূহ*তো ক্ষমতাশালী আৰু দুৰ্বলীৰ মাজৰ দ্বন্দ্ব দেখুওৱা হৈছে। ৰাইজৰ হকে কাম কৰাৰ স্বাৰ্থত উদ্যমী যুৱক মানস শৰ্মাই দলীয় ক্ষমতাপন্ন মন্ত্ৰীৰ আশীৰ্বাদপুষ্ট আততায়ীৰ হাতত মৃত্যুক সাৱটি লৈছে। মানসৰ বাবে ৰাংচিয়া নদীৰ মথাউৰি বন্ধাৰ নামত অহা আশী লাখ টকাৰ হেৰফেৰ কৰাত অসুবিধা হোৱাৰ বাবেই সি প্ৰাণ হেৰুৱাবলগীয়া হৈছে। কিন্তু মানসৰ আহুতিয়ে ৰাইজক সেই স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে জাগ্ৰত কৰি তুলিছে। মানসে আহ্বান

কৰা এখন সজাগতা সভালৈ সন্ত্ৰাসবাদীৰ ভয়ত এজনো মানুহ ওলাই নহাৰ বিপৰীতে মানসৰ শৱযাত্ৰালৈ ৰাংচিয়াৰ হাজাৰ হাজাৰ জনগণ ৰাজপথলৈ ওলাই আহি সেই অন্যায়ৰ মুক্তকণ্ঠে প্ৰতিবাদ সাব্যস্ত কৰিছে। সেইদৰে *অন্য অক অধ্যায়* নাটকখনো এটি আশাবাদেৰে সামৰা হৈছে। সেই আশা হৈছে সমাজ পৰিৱৰ্তনৰ আশা। বিপ্লৱ বা ৰাজনীতিৰে সমাজ পৰিবৰ্তন কৰাৰ বিপৰীতে শ্যামলৰ পত্নী উৰ্মিলাই সমাজৰ এজন হৈ সমাজ পৰিৱৰ্তনৰ সপোন দেখিছে। বিপ্লৱী শ্যামলক দলীয় সতীৰ্থই হত্যা কৰাৰ পাছত কমৰেড উৰ্মিলা ভাঙি পৰাৰ সলনি নতুন আশাৰে ৰাইজৰ মাজলৈ কাম কৰিবলৈ আগবাঢ়ি গৈছে। পৰশুৰামতো হীৰাৰ মাতৃস্নেহ দেখি গৰ্ভৱতী মহিলা দেখিলেই হত্যা কৰিবলৈ উদ্যত হোৱা পৰমাৰ মনত নাৰীৰ প্ৰতি থকা বিৰাগৰ মোচন ঘটিছে। নাটকখনৰ শেষফালে পৰশুৰামৰ মানসিক পৰিৱৰ্তন চকুত পৰে।

**(গ) আধুনিক মানুহৰ জটিল মানসিক স্থিতি ঃ**

অৰুণ শৰ্মাৰ নাটকত সাধাৰণতে ভুমুকি মৰা আন এটি দিশ হৈছে আধুনিক মানুহৰ জটিল মানসিক অৱস্থাৰ চিত্ৰণ। আধুনিক যুগ-যন্ত্ৰণাত পতিত মানুহৰ মানসিক জগতৰ প্ৰকাশ তেওঁৰ ভালেকেইখন নাটকত দেখা যায়। আধুনিক ৰুগ্ন মন আধুনিক সমাজজীৱনৰ অন্যতম এক সমস্যা। *আহাৰ*ত তেনে আধুনিক মনৰ জটিলতাৰ প্ৰকাশ ঘটা দেখা যায়। নাটকখনৰ বিষয় বস্তুৱেই হ'ল আধুনিক মনত দোলা দি থকা মানুহৰ অস্তিত্বৰ অনিশ্চয়তা, অসাৰতা আৰু অৰ্থহীনতা। আধুনিক মানুহৰ মনৰ চিন্তাৰ জটিলতা চৰিত্ৰবোৰত ফুটি উঠিছে। আধুনিক মনৰ চিন্তাৰ জটিলতাৰ বাবেই কমল আৰু নীলিমাৰ মাজত থকা প্ৰেমৰ সম্পৰ্কৰ অন্ত পৰিছে। জীৱনবোধৰ ভিন্নতাৰ বাবেই সিহঁতৰ মাজত মনোমালিন্য ঘটিছে। বিদায়ৰ মুহূৰ্ততো কমলক আচৰিতভাৱে নিৰ্বিকাৰ ৰূপত দেখা গৈছে। আনহাতে জীৱনৰ ব্যস্ততাৰ মাজত নলিনীয়ে আকৌ অনুভৱ কৰিছে যে অনিমাৰ প্ৰতি তাৰ প্ৰেম কমি আহিছে। অনিমাৰ লগত অকলশৰে মুহূৰ্ত কেইটামান কটাবলৈ নোপোৱাৰ ক্ষোভত সি অস্থিৰ হৈ পৰিছে। আনকি তাইক হত্যা কৰাৰ কথাও সি ভাবিছে। প্ৰাপ্তিৰ মাজতো অপ্ৰাপ্তিৰ বেদনাই আধুনিক মনক জোকাৰি যোৱা দেখা যায়। কমল আৰু নলিনীক সেই বেদনাই জোকাৰি গৈছে। অপ্ৰাপ্তিৰ ক্ষুধা নিৰ্বাপিত হোৱাৰ পথ সিহঁতে বিচাৰি পোৱা নাই। আস্থাহীনতা, অবিশ্বাস আৰু অনাহক ভয়ে মানুহৰ মনবোৰ জটিলৰপৰা জটিলতৰ কৰি তুলিছে। নিজকে বুজি পোৱাৰ শক্তিও যেন নাইকিয়া হৈ পৰিছে। আধুনিক যুগৰ আস্থাহীনতা, ভয় আৰু একাকীত্ব কমল আৰু নলিনীৰ মাজেৰে প্ৰকাশ পাইছে।

অৰুণ শৰ্মাৰ আন কেইবাখনো নাটকত এনে মানসিক অৱস্থা চকুত পৰে। তেনে আন এখন নাটক হৈছে *পুৰুষ*। নাটকখনত সুকান্তৰ মানসিক অৱস্থাতো আধুনিক মানুহৰ দ্বিধাগ্ৰস্ততা ফুটি উঠিছে। সুকান্তৰ অসুস্থ মানসিক অৱস্থাৰ চিত্ৰণ নাটকখনৰ প্ৰধান উপজীব্য। চাৰ্কাচৰ ছোৱালী হীৰামণিক বিয়া কৰাই ইংৰাজীৰ স্নাতকোত্তৰ সুকান্তৰ যি মানসিক অৱস্থাৰ সৃষ্টি

হৈছিল তাৰেই বহিৰ্প্ৰকাশ ৰূপে সুকান্তই হীৰামণিক হত্যা কৰি তাৰ প্ৰেমত স্থায়িত্ব প্ৰদান কৰিব খুজিছে। আধুনিক মনৰ কোনোবা কোণত ঘটি থকা নিৰন্তৰ দ্বন্দ্ব সুকান্তৰ মাজেৰে প্ৰকাশিত হৈছে। তেওঁ জীৱনক সাধাৰণ নিয়ম হিচাবে গ্ৰহণ কৰিব নোৱাৰি নিজৰ জীৱনক চৰম অৱনতিৰ পিনে ঠেলি দিবলৈ কুণ্ঠাবোধ কৰা নাই। পুৰুষত সুকান্তৰ যি পৰিণতি সেয়া আধুনিক ট্ৰেজেডীৰ নায়কৰ স্তৰৰ। সেইদৰে *চিএঞ্জৰ*তো অমৰ বৰুৱাৰ মানসিক অৱস্থাৰ জটিলতা দেখা যায়। পুঁজিপতি শ্ৰেণীৰ প্ৰতিভূ অমৰ বৰুৱাৰ মনত শোষণ নিষ্পেষণ তথা ভণ্ডামিৰ প্ৰতি থকা বিদ্বেষ দেখা যায় আৰু সেইবোৰৰ বিৰুদ্ধে মুক্ত হৈ তেওঁ ঠিয় দিব পৰা নাই। অমৰ বৰুৱাৰ মনৰ এই দ্বন্দ্ব *চিএঞ্জৰত* প্ৰকাশ হৈছে। গতিকে দুৰ্নীতিৰ বোকাত সোমাই থাকিও অমৰ বৰুৱাই সেইবিলাকৰ অন্ত পেলাবলৈ বিচৰা পৰিলক্ষিত হয়।

**(ঘ) নাৰী চিত্ৰণ ঃ**

অৰুণ শৰ্মাৰ নাটকৰ সমাজখন সাধাৰণতে আধুনিক সমাজ। অৰুণ শৰ্মাৰ নাটকৰ নাৰীসমূহো সাহসী নাৰী, শিক্ষিত নাৰী। তেওঁলোকৰ চিন্তা-ধাৰা, বিচাৰ বুদ্ধি, দৃষ্টিভংগী সকলোতে সচেতনতা লক্ষ্য কৰা যায়। সময়ৰ লগে লগে চিন্তাধাৰা, বিচাৰ-বুদ্ধি, দৃষ্টিভংগীৰ সলনি হৈছে যদিও নাৰীৰ মমতাময়ী, প্ৰেমময়ী, সন্তান-বৎসলা আদি গুণসমূহ অৰুণ শৰ্মাৰ নাটকৰ নাৰীৰ মাজত পৰিলক্ষিত হয়। আন কথাত ক'বলৈ গ'লে অসমৰ প্ৰেক্ষাপটত অসমীয়া নাৰী যথেষ্ট স্বাধীন আৰু সাহসী।

অৰুণ শৰ্মাই তেওঁৰ নাটকত নাৰীৰ মনোজগতৰ সম্ভেদ দিয়াৰ চেষ্টা কৰিছে। নাৰী সত্তাৰ বিবিধ ৰূপৰ পৰিচয় তেওঁৰ নাটকত চিত্ৰিত হোৱা বিভিন্ন নাৰীৰ চিন্তা আৰু কাৰ্যৰদ্বাৰা পোৱা যায়। *পৰশুৰামত* নাৰীসুলভ মমতা, সন্তানৰ প্ৰতি থকা লালসা আৰু সন্তানক জন্ম দি লাভ কৰা মাতৃত্বৰ গৌৰৱৰ কথা হীৰাই এটি মৃত্যুকাতৰ মুহূৰ্তত স্বীকাৰ কৰিছে। অৱশ্যে তাৰ বিপৰীতে পৰমাৰ মাকে আকৌ নিজৰ কুৰূপ সন্তানক ঘৃণাৰ চকুৰে চাইছে। নাৰী সত্তাৰ বিবিধতাৰ আভাস *আহাৰৰ* নাৰীৰ মাজেৰে প্ৰকাশ পাইছে। নাৰীয়ে উপলব্ধি কৰিছে, "সত্তাৰ অনেক ৰং। কৈছো নহয় - এটা প্ৰিজম। তাৰপৰা অনেক ৰং ওলাব পাৰে।"[৫] একেগৰাকী নাৰীয়েই কেতিয়াবা পত্নী, কেতিয়াবা মাতৃ, কেতিয়াবা প্ৰেয়সী, কেতিয়াবা বেশ্যা ৰূপত দেখা দিছে। ইয়াত নাৰী কেৱল এটা চৰিত্ৰ হৈ থকা নাই; এই নাৰীগৰাকী ক্ৰমে ধীৰেণৰ মাক, কমলৰ প্ৰেয়সী, নলিনীৰ পত্নী আৰু নবীনৰ অবৈধ সম্পৰ্কৰ নাৰীৰ ৰূপত দেখা গৈছে। নাৰী সত্তাৰ বিবিধতা ইয়াতেই চকুত পৰে। জীৱনৰ বিভিন্ন সময়ত এগৰাকী নাৰীয়ে বিভিন্ন ভূমিকাত অৱতীৰ্ণ হয়। এয়ে নাৰী জীৱনৰ বিবিধতা আৰু বিচিত্ৰতা।

আনহাতে *চিএঞ্জৰত* এগৰাকী নাৰীৰ নিজৰ আপোন পুৰুষজনৰ প্ৰতি থকা স্বাভাৱিক

আকৰ্ষণ আভাই অগ্ৰাহ্য কৰা নাই। কিন্তু দ্বৈত চৰিত্ৰৰ গৰাকী অমৰ বৰুৱাৰ লগত তাইৰ বৈবাহিক জীৱনক সুখকৰ হৈ উঠা নাই। গতিকে আভাই অমৰ বৰুৱাৰ ঐশ্চয্য-বিভূতি এৰি গুচি গৈছে। অমৰ বৰুৱাৰ জীৱনৰ কালিমা তাইৰ সন্তানৰ গাত পেলাব খোজা নাই। আভা অমৰ বৰুৱাৰ ঘৰৰ দামী সামগ্ৰীবিলাকৰ এপদ হৈ থাকিব খোজা নাই। অকলে থকাৰ সাহস তাইৰ আছে।

*পদ্মা-কুন্তী ইত্যাদিৰ* নীনাৰ মাজতো আধুনিক আৰু সাহসী নাৰীৰ ৰূপ দেখা যায়। নিজৰ বিচাৰ-বুদ্ধিক দাঙি ধৰাত আৰু তাৰ প্ৰতিষ্ঠাত তাই অলপো কুণ্ঠাবোধ কৰা নাই। তথাকথিত উচ্চ-বংশীয় ছোৱালী হৈয়ো পিতৃ-পৰিচয়হীন, অনা-অসমীয়া ল'ৰা ৰাজীৱক সামাজিকভাৱে আঁকোৱালি ল'বলৈ তাই ভয় কৰা নাই। নীনাৰ আইতাকে পৰম্পৰাগত চিন্তাৰ পোষকতা কৰিলেও নতুন প্ৰজন্মৰ চিন্তাধাৰাক আঁকোৱালি লৈছে। ইয়াৰ বিপৰীতে কিন্তু নীনাৰ মাক আৰু তেওঁৰ বান্ধৱী শ্ৰীমতী বৰুৱা, ৰীতা, জেৰিনা আৰু অমলাই নিজকে আধুনিক বুলি কৈছে যদিও পৰম্পৰাবাদী ৰূপেহে দেখা যায়।

*অন্য এক অধ্যায়ৰ* উৰ্মিলাই স্বামী শ্যামলৰ লগত সশস্ত্ৰ বিপ্লৱত যোগ দিয়া দেখা যায়। স্বামীক দলীয় সতীৰ্থই গুলিয়াই হত্যা কৰাৰ পাছতো উৰ্মিলাই স্বামীয়ে দেখুৱাই যোৱা পথত অকলে খোজ দিবলৈ ভয় কৰা নাই। তাইৰ লগতে চোফিয়াকো এগৰাকী বিপ্লৱীৰ ৰূপত দেখা যায়। *বুৰঞ্জী পাঠত* মৌজাদাৰ কুলহৰি চৌধুৰীৰ কন্যা প্ৰিয়ৰাণীৰ মাজত ক্ষমতা আৰু শক্তিৰ প্ৰতি থকা স্পৃহা আৰু শহুৰেকৰ ঘৰৰ মানুহৰ আগত নিজৰ যোগ্যতা প্ৰতিপন্ন কৰাৰ মানসিকতা দেখিবলৈ পোৱা যায়। আনহাতে কুকুৰনেচীয়া মানুহত ৰীমাই ৰমুৰ প্ৰতি থকা ভালপোৱা প্ৰকাশ কৰিবলৈ দ্বিধাবোধ কৰিছে। দেউতাকৰ সিদ্ধান্তৰ মতে তাই নিজকে এৰি দিছে।

**৬। সামৰণি ঃ**

অৰুণ শৰ্মাৰ নাটকত স্বাধীনতা-পৰৱৰ্তী অসমৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা এখন সামগ্ৰিক চিত্ৰ উদ্ভাসিত হৈ উঠা দেখা যায়। *উৰুখা পঁজা, বাঘজাল, বুৰঞ্জী পাঠত* বিশেষভাৱে স্বাধীনতা-পৰৱৰ্তী সমাজখন পৰিস্ফুট হৈ উঠিছে। মৌজাদাৰ, হাকিম, মহৰীৰ স্বেচ্ছাচাৰী নীতি, ক্ষমতাৰ অপব্যৱহাৰ, শোষণ তথা অত্যাচাৰ তেওঁৰ প্ৰায়বোৰ নাটকৰে মূল বিষয়। সামাজিক অনিয়ম, ৰাজনৈতিক প্ৰমূল্যৰ অৱক্ষয়, জাতিগত, শ্ৰেণীগত আৰু লিংগগত বৈষম্য, আধুনিক জীৱন-যন্ত্ৰণা, সামাজিক দায়বদ্ধতাৰ অভাৱ, সন্ত্ৰাসবাদ, অন্যায়-অবিচাৰৰ বিৰুদ্ধে জনজাগৰণৰ খণ্ড ছবি অৰুণ শৰ্মাৰ আটাইবোৰ নাটকতে দেখা যায়। সমাজৰ বিভিন্ন সামাজিক আৰু মানসিক স্তৰৰ মানুহক প্ৰতিনিধিত্ব কৰিব পৰা চৰিত্ৰ তেওঁৰ প্ৰায়বিলাক নাটকতে বিদ্যমান। বিভিন্ন সামাজিক আৰু মানসিক স্তৰৰ লগতে বিভিন্ন প্ৰজন্মকো তেওঁৰ নাটকৰ চৰিত্ৰই প্ৰতিনিধিত্ব কৰিছে। তদুপৰি ব্যক্তি চৰিত্ৰ অংকনতো তেওঁ

গুৰুত্ব দিয়া দেখা যায়। ব্যক্তিভেদে চিন্তাৰ ভিন্নতা চৰিত্ৰবোৰৰ মুখত দিয়া সংলাপৰদ্বাৰা স্পষ্ট হৈ উঠিছে। অৰুণ শৰ্মাৰ নাটকত চৰিত্ৰৰ মনস্তাত্ত্বিক অৱস্থাৰ চিত্ৰণ আন এটি প্ৰধান দিশ। *পৰশুৰাম, অদিতিৰ আত্মকথা, অগ্নিগড়, পদ্মা-কুন্তী ইত্যাদিত* চৰিত্ৰৰ মনস্তত্ত্বৰ ব্যাখ্যা দেখা যায়। সত্তাৰ সন্ধান অৰুণ শৰ্মাৰ নাটকৰ নাৰীৰ অন্যতম প্ৰধান দিশ। অৰুণ শৰ্মাৰ নাটকৰ নাৰী আধুনিক নাৰী। স্বকীয় সত্তাৰে পৰিচয় আগবঢ়োৱাৰ যোগ্যতা তেওঁলোকৰ আছে। নাৰী চৰিত্ৰসমূহ অংকনত তেওঁৰ সচেতনতা দেখা যায়। আধুনিক জীৱনৰ জটিলতাই সৃষ্টি কৰা প্ৰতিক্ৰিয়া অৰুণ শৰ্মাৰ নাটকৰ আন এক বৈশিষ্ট্য। *আহাৰ, পুৰুষ, অগ্নিগড়, অদিতিৰ আত্মকথাত* আধুনিক জীৱনৰ আস্থাহীনতা আৰু সংশয়ে সৃষ্টি কৰা মানসিক জটিলতাৰ ছবি অংকন কৰিছে। আধুনিক জীৱনৰ আস্থাহীনতা, সমজ ব্যৱস্থাৰ প্ৰতি আস্থাহীনতা তেওঁৰ আটাইকেইখন নাটকতে দেখা যায়।

নাটকৰ লগত সদায় দুটা দিশ জড়িত হৈ থাকে— এটা পঠন আৰু আনটো পৰিবেশন। অৰুণ শৰ্মাই দুয়োটা দিশতে সমানে গুৰুত্ব আৰোপ কৰা দেখা যায়। তেওঁৰ নাটকসমূহ পাঠ কৰিলে গল্প এটা পাঠ কৰাৰ দৰে উৎকণ্ঠা আৰু পৰিসমাপ্তিৰ আনন্দ দুয়োটা লাভ কৰিব পাৰি। নাটকীয় কাৰ্যাৱলীৰ বৰ্ণনা কেৱল নাটকীয় প্ৰয়োজনত সংযোগ কৰা নিৰস মঞ্চ নিৰ্দেশনাৰ পৰিৱৰ্তে অৰুণ শৰ্মাৰ নাটকৰ বৰ্ণনাংশ সাৱলীল। তদুপৰি বহুসময়ত দীঘলীয়া সংলাপৰ ব্যৱহাৰ কৰা দেখা যায় আৰু সেইবোৰ পঠনীয় ৰূপতহে বেছি প্ৰভাৱশালী। অৰুণ শৰ্মাৰ নাটকৰ ভাষা প্ৰয়োগৰ ক্ষেত্ৰত মিতব্যয়িতা আৰু কাব্যিকতা দেখা যায়। তেওঁৰ নাটকত অভিনয়ৰ সমান্তৰালভাৱে শ্ৰব্য দিশটোৰেও সমানে গুৰুত্ব পাইছে। অৰুণ শৰ্মাৰ নাটকত অনাতাঁৰ শিল্পী আৰু কবি দুয়োটা সত্তাৰ প্ৰকাশ সততে ঘটা দেখা যায়। তদুপৰি সংলাপত তেওঁৰ চিন্তাশীল মনৰ পৰিচয় ঘটিছে। তেওঁৰ নাটকত বিশ্ব-নাট্য-প্ৰৱাহৰ হেন্‌ৰীক ইব্‌ছেন, বাৰ্ণাৰ্ড শ্ব', বাৰ্টোল্ট ব্ৰেখ্‌ট, ইউজিন আয়'নেস্কো, ছেমুৱেল বেকেটৰ নাট্যাদৰ্শৰ অভিযোজনাৰ সমান্তৰালভাৱে ওজাপালি আৰু সূত্ৰধাৰ আদি লোকনাট্যানুষ্ঠানৰ উপাদানবো ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। ■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


কটকী, প্ৰফুল্ল। *সাহিত্য সংজ্ঞা কোষ*। গুৱাহাটীঃ জ্যোতি প্ৰকাশ, প্ৰথম প্ৰকাশ, ২০০৫। মুদ্ৰিত।

গোস্বামী, মৃণালজ্যোতি। *অৰুণ শৰ্মাৰ নাটক ঃ এটি সমীক্ষাত্মক অধ্যয়ন*। পিএইচ. ডি. গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৩-০৪। অপ্ৰকাশিত।

চক্ৰবৰ্তী, অখিল। *যুদ্ধোত্তৰ অসমীয়া নাটকৰ বিশ্লেষণাত্মক অধ্যয়ন।* পিএইচ.ডি গৱেষণা গ্ৰন্থ. ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ, ২০০০। অপ্ৰকাশিত।

চৌধুৰী, তড়িৎ। *দেশে দেশে নাট্যকলা।* গুৱাহাটীঃ গণেশ প্ৰকাশন, ১৯৯৪। মুদ্ৰিত।

চৌধুৰী, বাদল। *অসমীয়া নাট্য সংস্কৃতিৰ এছোৱা ঃ প্ৰত্যয় আৰু প্ৰতিচ্ছবি*। গুৱাহাটীঃ জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ, ১৯৯৪। মুদ্ৰিত।
ডেকা, প্ৰবীন্দ্ৰ। *নাট্য-সাহিত্যত এভুমুকি*। (প্ৰথম খণ্ড) নলবাৰী ঃ অসম নাট্য সন্মিলন, ২০০৬। মুদ্ৰিত।
দেৱী, সংগীতা। *অৰুণ শৰ্মাৰ জীৱন আৰু নাট্যকৃতি ঃ এটি আলোচনা*। পিএইচ. ডি. গৱেষণা গ্ৰন্থ গৱেষণা-গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৯। অপ্ৰকাশিত।
পৰাশৰ, অনুভৱ আৰু গোপাল জালান, সম্পা.। *আলোকপাত*।গুৱাহাটী ঃ চিন্তামণি প্ৰকাশ, ২০০৮।
বৰুৱা, প্ৰহ্লাদ কুমাৰ। *চিন্তাৰ আভাস*। ডিব্ৰুগড়ঃ বনলতা, ১৯৯৯। মুদ্ৰিত।
বৰা, মহেন্দ্ৰ। *সাহিত্য আৰু সাহিত্য*। গুৱাহাটীঃ বনলতা, ১৯৮৮। মুদ্ৰিত।
বেজবৰা, নীৰাজনা মহন্ত, *সাহিত্যৰ সমাজতত্ত্ব ঃ সিদ্ধান্ত আৰু প্ৰয়োগ*। ডিব্ৰুগড়ঃ বনলতা, ২০১১। মুদ্ৰিত।
ভট্টাচাৰ্য্য, বসন্ত কুমাৰ। *অসমীয়া নাটকৰ সমীক্ষা*। নলবাৰীঃ জাৰ্ণাল এম্প'ৰিয়াম, ২০০২। মুদ্ৰিত।
ভট্টাচাৰ্য্য, ৰঞ্জন। *অৰুণ শৰ্মাৰ নাটকঃ পৰম্পৰা আৰু অভিনৱত্ব*। পিএইচ.ডি. গৱেষণা গ্ৰন্থ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ, ২০১১। মুদ্ৰিত।
শইকীয়া, অজিত, সম্পা.। *ছশ বছৰৰ অসমীয়া নাটকঃ পৰম্পৰা আৰু পৰিৱৰ্তন*। দুলীয়াজানঃ পথাৰ, ২০০৮।
শৰ্মা, অৰুণ। *অৰুণ শৰ্মাৰ নিবাচিত নাটক*, গুৱাহাটীঃ বনলতা, ২০০৬। মুদ্ৰিত।
--- । "আমাৰ বুকুতো বন্দুকৰ গুলী আহি লাগিব পাৰে," *আমাৰ শৈশৱ*। সম্পা. পৰেশ মালাকাৰ. সম্পা. দুলুমণি শৰ্মা. গুৱাহাটীঃ অন্বেষা, ২০১২। মুদ্ৰিত।
--- ।"সমাজৰ নিবিড় সান্নিধ্যৰ অভিজ্ঞতাসমূহ," সাক্ষাৎগ্ৰহণঃ ভূপেন গোস্বামী, *কথা গুৱাহাটী*। ৫ (২০০৫)। মুদ্ৰিত।
--- ।সাক্ষাৎকাৰ, চেনিকুঠী, গুৱাহাটী, ১৩ এপ্ৰিল ২০১৬। দিনৰ ১১-০০ বজা।
শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া নাট্য-সাহিত্য*। গুৱাহাটীঃ সৌমাৰ প্ৰকাশ, ১৯৬২। মুদ্ৰিত।
--- । *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। গুৱাহাটীঃ সৌমাৰ প্ৰকাশ, নৱম সংস্কৰণ, ২০০৪। মুদ্ৰিত।
হাজৰিকা, অতুলচন্দ্ৰ। *মঞ্চলেখা*। গুৱাহাটীঃ জোনাকী প্ৰকাশ, ১৯৬৭। মুদ্ৰিত।